## **ইণ্ডিয়া ফাউণ্ডেশ্যন ফৰ দ্য আৰ্টছ (আইএফ.এ.)ৰ** তৰফৰ পৰা

## কলা গৱেষণা কাৰ্যক্ৰমৰ বাবে

## প্ৰস্তাৱ বিচাৰি আহ্বান

প্ৰস্তাৱ দাখিলৰ অন্তিম তাৰিখ: ১৬ আগষ্ট, ২০২৩; বুধবাৰ, নিশা ১১:৫৯ বজালৈকে (ভাৰতীয় মানক সময় অনুসৰি)

কলা গৱেষণা কাৰ্যক্ৰমে ভাৰতত চলি অহা কলাত্মক পৰম্পৰাসমূহৰ বিভিন্ন ইতিহাস আৰু অভিব্যক্তি সন্দৰ্ভত বিদ্বান, গৱেষক আৰু আন পেচাজীৱিসকলক গৱেষণা কাৰ্যত জড়িত কৰাই আহিছে। এই কাৰ্যক্ৰমে কলাৰ ক্ষেত্ৰখনত বহল পৰিপ্ৰেক্ষা, বোধগম্যতা, অৰ্থ অনুধাৱন আৰু সংলগ্নতা বৃদ্ধিৰ পৰিৱেশ গঢ়ি তোলাত গুৰুত্ব প্ৰদান কৰে।

আমি আই.এফ.এ.-ৰ দ্বাৰা ৰূপায়িত গৱেষণা প্ৰকল্পৰ প্ৰতি আগ্ৰহী গৱেষক আৰু পেচাজীৱিসকলৰ পৰা আমাৰ কলা গৱেষণা কাৰ্যক্ৰমৰ বাবে আবেদনৰ আহ্বান জনাইছো। এই প্ৰকল্পসমূহৰ জৰিয়তে কলাৰ তাত্ত্বিক আৰু ব্যৱহাৰিক কাৰ্যকলাপৰ মাজত সমন্বয় সৃষ্টি কৰি নতুন ধাৰণাগত ভেঁটি আৰু অন্যান্য বিষয় উদ্ঘাটনৰ বাবে আন্তঃশাখা পদ্ধতিৰ প্ৰয়োগেৰে প্ৰান্তীয় বা তুলনামূলকভাৱে অজ্ঞাত ক্ষেত্ৰসমূহক লৈ গৱেষণা কৰিব পাৰিব।

গৱেষণা প্ৰকল্পসমূহ সুস্পষ্ট লক্ষ্য, পটভূমিৰ বিস্তৃত সমীক্ষণ, সঠিক গৱেষণামূলক প্ৰশ্ন, সুসংহত প্ৰসংগভিত্তিক পদ্ধতি আৰু নিৰ্দিষ্ট ফলাফলেৰে সমৃদ্ধ হোৱা উচিত আৰু এয়া সৰ্বজনীন স্থানত উপলব্ধ কৰোৱা হ'ব। গৱেষণালব্ধ ফলাফল গৱেষণাগ্ৰন্থ, গৱেষণামূলক ৰচনা, ফিল্ম, ৱেবছাইট, মাল্টিমিডিয়া প্ৰদৰ্শনী আকেৰে প্ৰকাশিত হ'ব পাৰে।

আন ভাৰতীয় ভাষাত এই প্ৰস্তাৱৰ আবেদনৰ অনুবাদ পঢ়িবলৈ ইয়াত ক্লিক কৰক।

### প্ৰকল্পৰ সময়সীমা:

ন্যূনতম **এবছৰ** আৰু সৰ্বাধিক **১৮ মাহ**।

### বাজেট:

**৫,০০,০০০/- টকা** পৰ্যন্ত বাজেট কৰিব পাৰে।

### সময়সীমা:

**১৬ আগষ্ট, ২০২৩; বুধবাৰ, নিশা ১১:৫৯ বজালৈকে (ভাৰতীয় মানক সময় অনুসৰি)**

### কোনে আবেদন কৰিব পাৰিব?

এই কাৰ্যক্ৰম বিভিন্ন বিষয়ৰ বিদ্বান, গৱেষক আৰু আন পেচাজীৱিসকলৰ বাবে মুকলি।

যদিহে আপুনি ভাৰতীয় নাগৰিক, তেন্তে আপুনি আবেদন কৰিব পাৰিব। আপোনাৰ সহযোগীসকলো ভাৰতীয় নাগৰিক হ'ব লাগিব।
(যোগ্যতা সম্পৰ্কে অধিক তথ্যৰ বাবে ইয়াত ক্লিক কৰক)

### আবেদন প্ৰক্ৰিয়া:

আপোনাৰ চূড়ান্ত প্ৰস্তাৱত তলত দিয়াখিনি অন্তৰ্ভুক্ত হ'ব লাগিব:

- **প্ৰস্তাৱৰ বিষয়বস্তু** সুস্পষ্ট গৱেষণাৰ লক্ষ্য, পটভূমিৰ বিস্তৃত সমীক্ষণ, গুৰুত্বপূৰ্ণ গৱেষণামূলক প্ৰশ্ন, সুসংহত প্ৰসংগভিত্তিক পদ্ধতি, আৰু নিৰ্দিষ্ট ফলাফলেৰে সমৃদ্ধ হ'ব লাগিব;
- **সহায়ক সামগ্ৰী**, যদি আছে, যিয়ে আমাক আপোনাৰ কামৰ বিষয়ে সম্যক ধাৰণা দিব পাৰে;
- আপোনাৰ সম্পূৰ্ণ বায়'ডাটা

- প্ৰকল্পৰ পুঁজি কেনেকৈ ব্যৱহাৰ কৰা হ'ব সেই বিষয়ে উল্লেখ থকা **বাজেটৰ বিশদ বিৱৰণ।** অন্য উৎসৰ পৰা আহিব পৰা পুঁজিৰ কথাও উল্লেখ কৰক, যদি আছে;
- আপোনাৰ ঠিকনা, টেলিফোন নম্বৰ, আৰু ই-মেইল ঠিকনা।

## সাধাৰণ তথ্য

- বাজেটত কেৱল প্ৰকল্পৰ সৈতে জড়িত কৰ্মীৰ খৰচ, কাৰ্যকলাপ আৰু ভ্ৰমণৰ খৰচহে সামৰি লোৱা হ'ব, আৰু প্ৰয়োজন সাপেক্ষে কিছুমান সা-সঁজুলিৰ ভাড়া আৰু সামগ্ৰীৰ ব্যৱস্থা কৰিব পাৰিব। বাজেটৰ প্ৰতিটো শিতানৰ যাতে প্ৰকল্প সম্পৰ্কীয় ব্যয়ৰ নিৰ্দিষ্ট কোনো সামগ্ৰীৰ সৈতে প্ৰাসংগিকতা থাকে, সেয়া অনুগ্ৰহ কৰি নিশ্চিত কৰিব;
- আপুনি মাননিৰ বাবে অনুৰোধ জনাব পাৰিব, কিন্তু সেয়া প্ৰস্তাৱিত বাজেটৰ ৩৫ শতাংশতকৈ অধিক হ'ব নোৱাৰিব;
- অনুগ্ৰহ কৰি আনুষ্ঠানিক শিতান, নিৰ্মাণ, বা আন্তঃগাঁথনি উন্নয়নৰ ব্যয় বাজেটত সন্নিৱিষ্ট নকৰিব। বাজেটত সা-সঁজুলি ক্ৰয়ৰ অনুমতিও দিয়া হোৱা নাই, কিন্তু যদি আপুনি প্ৰকল্পটোৰ বাবে সা-সঁজুলি কিনিবলগীয়া হয়, তেন্তে প্ৰকল্প সম্পূৰ্ণ হোৱাৰ পিছত সেইবোৰ আই.এফ.এ.-ক ঘূৰাই দিব লাগিব;

## নিৰ্বাচন প্ৰক্ৰিয়া:

বিবেচিত প্ৰস্তাৱসমূহৰ মূল্যায়ন বাহ্যিক পেনেলে কৰিব আৰু আবেদনকাৰীয়ে পেনেলৰ সন্মুখত নিজৰ প্ৰকল্পৰ ধাৰণা উপস্থাপন কৰিবলগীয়া হ'ব পাৰে। ৰূপায়ণৰ বাবে নিৰ্বাচিত প্ৰকল্পসমূহ **২০২৩ চনৰ ডিচেম্বৰ** মাহত ঘোষণা কৰা হ'ব। প্ৰকল্প নিৰ্বাচনৰ ক্ষেত্ৰত আই.এফ.এ.-ৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

## প্ৰস্তাৱ দাখিল:

- **ইংৰাজীকে ধৰি যিকোনো ভাৰতীয় ভাষাত প্ৰস্তাৱ লিখিব পাৰিব। আন ভাৰতীয় ভাষাসমূহো যাতে সমৃদ্ধ হ'ব পাৰে তাৰ বাবে ইংৰাজীৰ বাহিৰেও অন্যান্য ভাৰতীয় ভাষাত প্ৰকল্প দাখিল কৰাত আইএফএ-য়ে উৎসাহ যোগায়**
- যদি আপুনি আপোনাৰ প্ৰস্তাৱ প্ৰেৰণ কৰাৰ আগতে প্ৰকল্পৰ ধাৰণাসমূহৰ বিষয়ে আলোচনা কৰিব বিচাৰে বা এই সম্পৰ্কে কোনো প্ৰশ্ন আছে, তেন্তে অনুগ্ৰহ কৰি **৩১ জুলাই, ২০২৩ তাৰিখ,** সোমবাৰৰ আগতে harshita@indiaifa.org ত কলা গৱেষণাৰ কাৰ্যসূচী বিষয়া হৰ্ষিতা বাথৱাললৈ চাবজেক্ট লাইনত **কলা গৱেষণাৰ বাবে প্ৰকল্প প্ৰস্তাৱ** বুলি লিখি মেইল প্ৰেৰণ কৰিব পাৰে।
- আপোনাৰ চূড়ান্ত প্ৰস্তাৱ, সকলো সহায়ক সমল সামগ্ৰীৰ সৈতে একেলগে, **বুধবাৰ, ১৬ আগষ্ট, ২০২৩, ১১:৫৯ বজাৰ** (আই.এছ.টি.) ভিতৰত বা তাৰ আগতে harshita@indiaifa.org ইমেইলযোগে অনলাইন জমা দিব লাগিব আৰু ফাইলৰ আকাৰ ২৫ এম.বি.তকৈ অধিক হ'ব নালাগিব।

অনুগ্ৰহ কৰি মন কৰিব যে অসম্পূৰ্ণ প্ৰস্তাৱ আৰু যোগ্যতাৰ আওতাত নপৰা আবেদনকাৰীসকলৰ প্ৰকল্প অগ্ৰাহ্য কৰা হ'ব।

নিৰ্বাচিত সকলো প্ৰকল্প আই.এফ.এ.-ৰ দ্বাৰা ৰূপায়ণ কৰা হ'ব।

***অনুগ্ৰহ কৰি মন কৰিব যে শিশুকে ধৰি সকলোৰে সমান সমৰ্থন, সন্মান আৰু সুৰক্ষা লাভ কৰিব পৰা এক নিৰাপদ পৰিৱেশ সৃষ্টিৰ বাবে আই.এফ.এ. সদায়েই প্ৰতিশ্ৰুতিবদ্ধ। আবেদনকাৰীয়ে এই দিশসমূহৰ প্ৰতি সততে লক্ষ্য ৰাখিব লাগিব আৰু তেনে দৃষ্টিভংগী অক্ষুণ্ণ ৰাখিব লাগিব।***

***এই কলা গৱেষণা কাৰ্যক্ৰম বিএনপি পৰিবাছ ইণ্ডিয়াৰ সহযোগত সম্ভৱপৰ হৈছে।***